# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

সমগ্ৰ ৰাজ্যজুৰি আজি পহিলা ব'হাগৰ দিনটোত মানুহ বিহু পালন কৰা হৈছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লৈছে। পহিলা ব'হাগ উপলক্ষে ৰাজ্যখনৰ মঠ-মন্দিৰসমূহত ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। বিভিন্ন ঠাইত মুকলি বিহু আৰু মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। কণ-কণ শিশুসকলৰ পৰা আৰম্ভ কৰি ডেকা-জীয়ৰী সকলে ঘৰে ঘৰে গৈ হুঁচৰি গাই গৃহস্থৰ কুশল-মংগল কামনা কৰে।

**শিৱসাগৰ** জিলাত ৰংপুৰ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত আজি ৰংঘৰৰ বাকৰিত মুকলি বিহুৰ আয়োজন কৰা হয়। তলাতল ঘৰৰ পৰা ৰংঘৰৰ বাকৰিলৈ প্ৰতীকি স্বৰ্গদেউক লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকে অংশগ্ৰহণ কৰা এই ৰঙালী বিহুৰ কাৰ্যসূচীত পৰম্পৰাগত খেল-ধেমালি আৰু বিহু-হুঁচৰি অনুষ্ঠান পৰিৱেশন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মন্ত্ৰী পীযূষ হাজৰিকাই ৰাজ্যবাসীক বিহু শুভেচ্ছা জ্ঞাপন কৰে।

**মাজুলী**ৰ সত্ৰসমূহত বৈষ্ণৱসকলে ৰঙালী বিহু উপলক্ষে বোকাখেল খেলে। লোক ৰীতি আৰু পৰম্পৰাৰ মাজেৰে উদযাপন কৰা এই বোকাখেলে বসন্ত উৎসৱৰ বিশেষ মাত্ৰা বহন কৰি আহিছে বুলি আমাৰ মাজুলীৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

**কাৰ্বি আংলং** জিলাৰ ডিফু কেন্দ্ৰীয় বিহু সমিতিৰ উদ্যোগত বিহু ক্লাবৰ প্ৰাংগণত ৰঙালী বিহু উদযাপন কৰা হৈছে। এই উপলক্ষে আজি পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়।

**ডিব্ৰুগড়** জিলাতো পহিলা ব'হাগ উপলক্ষে মঠ-মন্দিৰসমূহত ভিৰ দেখিবলৈ পোৱা যায়। জিলাখনৰ বিভিন্ন ঠাইত মুকলি বিহু, মঞ্চ বিহু আদি অনুষ্ঠিত হৈছে।

০০০০

অসম চৰকাৰী ভাষা আইন-১৯৬০ৰ ৭ আৰু ৩ নম্বৰ ধাৰা অনুসৰি বৰাক উপত্যকা, ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পাৰ্বত্য জিলা আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অধীনৰ অঞ্চলত স্থানীয় ভাষা ব্যৱহাৰৰ লগতে সমগ্ৰ ৰাজ্যতে অসমীয়া ভাষা ব্যৱহাৰৰ বাবে ৰাজ্য চৰকাৰে অধিসূচনা জাৰি কৰিছে। আজিৰে পৰা সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰা হৈছে। ৰাজ্য চৰকাৰৰ সকলো বিধেয়ক, আইন, নিয়ম, বিধি, আদেশ, অধিসূচনা প্ৰশাসনিক আৰু কাৰ্যবাহী নিৰ্দেশনা, বদলি আৰু নিযুক্তিৰ আদেশ তথা চৰকাৰী ৰাজপত্ৰ ইংৰাজী সংস্কৰণৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰা হ'ব। বৰাক উপত্যকাৰ জিলাসমূহত সকলো চৰকাৰী কামৰ বাবে ইংৰাজীৰ উপৰিও বাংলা ভাষা ব্যৱহাৰ কৰা হ'ব। বড়োলেণ্ড পৰিষদীয় এলেকাত যিকোনো

চৰকাৰী কামত ইংৰাজীৰ লগতে বড়ো ভাষা ব্যৱহাৰ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা সকলো আদেশ, অধিসূচনা আৰু নিৰ্দেশনা সংশ্লিষ্ট বিভাগৰ দ্বাৰা ৩০ দিনৰ ভিতৰত অসমীয়া ভাষা বা বড়ো বা বাংলা ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিব লাগিব। পুৰণি সকলো আইন, নীতি, বিধি, অধিসূচনা আদিও দুই বছৰৰ ভিতৰত অসমীয়া ভাষালৈ অথবা প্ৰয়োজন সাপেক্ষে বড়ো আৰু বাংলা ভাষালৈ অনুবাদ কৰিব লাগিব। এই অনুবাদ প্ৰক্ৰিয়া বিশ্ববিদ্যালয়সমূহৰ ভাষা বিভাগৰ সহায়ত সম্পন্ন কৰা হ'ব অৱশ্যে দুয়োটা সংস্কৰণৰ মাজত কোনো অস্পষ্টতা বা অমিল পৰিলক্ষিত হলে অথবা আইনী বাখ্যাৰ প্ৰয়োজন হলে ইংৰাজী সংস্কৰণৰ শব্দক প্ৰাধান্য দিয়া হ'ব। আনহাতে, ভাৰত চৰকাৰ, কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়সমূহ আৰু অন্য ৰাজ্যিক প্ৰশাসনৰ সৈতে যোগাযোগৰ বাবে ইংৰাজী ভাষাৰ ব্যৱহাৰ অব্যাহত থাকিব। এইসমূহ বিষয়ৰ উপৰিও ন্যায়ালয়ত দাখিল কৰিবলগীয়া সকলো অনুসন্ধানৰ প্ৰতিবেদন, অনুচ্ছেদ ভিত্তিক মন্তব্য, নিৰ্দেশনা, শপতনামা, চিঠিপত্ৰ ইত্যাদিত ইংৰাজী ভাষাৰ ব্যৱহাৰ বাহাল থাকিব। যিকোনো নিয়ম, আইন, নিয়মাৱলী, কাৰ্যালয়ৰ আদেশ, আদালতৰ আদেশ বা ৰায়ত সন্নিবিষ্ট ব্যৱস্থাবোৰৰ বাখ্যাৰ বাবে ইংৰাজী সংস্কৰণে প্ৰাধান্য পাব। ইংৰাজী ভাষাৰ পৰা অসমীয়া, বাংলা আৰু বড়ো ভাষালৈ অনুবাদৰ বাবে **অনুবাদ ভাষিনী এপ** ব্যৱহাৰ কৰিব পাৰিব। অৱশ্যে অনুবাদ কৰা সংস্কৰণবোৰ শুদ্ধ আৰু সঠিক হোৱাটো নিশ্চিত কৰিবলৈ সতৰ্কতা অৱলম্বন কৰিব লাগিব। এই অধিসূচনাখন আজিৰ পৰা কাৰ্যকৰী হৈছে।

oooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

oooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। সম্প্ৰতি দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগুৱাই আছে।

oooo

সমাপ্ত